গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা - ৫




অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

২১ এপ্ৰিল, ২০১৬ (পঞ্চম বছৰ)

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা ঃ ৫

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়
২১ এপ্ৰিল, ২০১৬ (পঞ্চম বছৰ)

## শুভেচ্ছা বাৰ্তা

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়ৰ 'আধাৰ' নামৰ গৱেষণা, বিদ্যায়তনিক আৰু সৃজনীমূলক পত্ৰিকা এখন প্ৰতি বছৰে প্ৰকাশ কৰি আহিছে বুলি জানিব পাৰি সুখী হৈছো। এই বৰ্ষত প্ৰকাশ কৰিবলৈ লোৱা 'আধাৰে' ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক-মানসিক-ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাৰ বাট মুকলি কৰক তাৰে কামনা কৰিলো।

ইতি
ড০ বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

---

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়, ২০১৫-১৬ বৰ্ষ ঃ

ঃ কেন্দ্ৰীয় সমিতি ঃ

উপদেষ্টা ঃ
অধ্যাপিকা ড° ৰীতা দত্ত (বিভাগীয় প্ৰধান)
অধ্যাপক ৰঘুনাথ কাগ্যুং
অধ্যাপিকা পদ্মকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

অধিনায়ক
- ভবেন গগৈ (৫ম ষাণ্মাসিক)
- দ্বীপজ্যোতি প্ৰধান (৩য় ষাণ্মাসিক)
- সুৰভি বৰুৱা (১ম ষাণ্মাসিক)

**'আধাৰ', ২০১৬ বৰ্ষৰ সম্পাদনা সমিতি**
(গৱেষণা-বিদ্যায়তনিক- সৃজনীমূলক বাৰ্ষিক পত্ৰিকা)

উপদেষ্টা ঃ
অধ্যাপিকা ড° ৰীতা দত্ত (বিভাগীয় প্ৰধান)
অধ্যাপক ৰঘুনাথ কাগ্যুং
অধ্যাপিকা পদ্মকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

সম্পাদক সমীৰণ বৰগোহাঁই

সদস্য/সদস্যা
(৫ম ষাণ্মাসিক) ঃ গীতাশ্ৰী দৈমাৰী
(৩য় ষাণ্মাসিক) ঃ দীপল শইকীয়া
(১ম ষাণ্মাসিক) ঃ কিৰণময়ী গগৈ

## অনুক্ৰমণিকা


| | |
|---|---|
| ❖ সম্পাদকীয় | সমীৰণ বৰগোহাঁই |
| **বিশেষ নিবন্ধ** | |
| ❖ কাৰ ওপৰত আস্থা ৰাখিব আজিৰ যুৱ প্ৰজন্মই- | দ্বীপজ্যোতি প্ৰধান |
| **চিন্তা কলা** | |
| ❖ চিৰ চেনেহী মোৰ ভাষা জননী- | ভবেন গগৈ |
| **সাময়িক চিন্তা** | |
| ❖ ফিনিক্স পক্ষীৰ বিষয়ে কিছু কথা- | জানমণি গগৈ |
| **অনুভৱ শিল্প** | |
| ❖ উন্মাদনা ফাগুন- | চন্দ্ৰিকা কোঁৱৰ |
| **সোঁৱৰণ** | |
| ❖ স্মৃতিবোৰে কন্দুৱাই... | ইৰাণী গগৈ |
| **কথা শিল্প** | |
| ❖ অৰুন্ধতী- | মলয়া গগৈ |
| **শব্দ শিল্প** | |
| ❖ চকবি ফেঁটী | অভিজিৎ শইকীয়া |
| প্ৰাচীন অনুভৱ | পলাশজ্যোতি গগৈ |
| হৃদয়ৰ অনুভৱ | ময়ুৰতৃষ্ণা পাটৰ |
| এবুকু হালধীয়া অনুভৱ | মধুস্মিতা বৰুৱা |
| ছাঁ | বনশ্ৰী গগৈ |
| শৰৎ | ববিতা কোঁৱৰ |
| ফাগুন | পল্লৱী গগৈ |
| আঘোণ | বন্দনা বৰুৱা |
| মোক এজাক বৰষুণ হ'বলৈ দিয়া | ৰিকুমণি গগৈ |
| ঐ মৰমলগা ছোৱালীজনী | সমীৰণ বৰগোহাঁই |
| ভাত পাওঁ তোমাক | ববিতা কোঁৱৰ |
| তুমি এখন নদী হোৱা | মধুস্মিতা বৰুৱা |
| জীৱন মায়া | চন্দ্ৰিকা কোঁৱৰ |
| পাৰিবা জানো আমাৰ ভালপোৱাক পাহৰিব? | কবিতা গগৈ |
| নিষ্ঠুৰ মানৱ তুমি | মৌচুমী বৰুৱা |
| পানী | মিচ জোনালী বছা |

## সম্পাদকীয়

চৰাইদেউ জিলাৰ অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাৰি মহাবিদ্যালয়। সোণাৰি মহাবিদ্যালয়ৰ 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ই ইতিমধ্যে বৌদ্ধিক বিকাশৰ বহু কাৰ্যসূচী ৰূপায়ন কৰি আহিছে। এই মঞ্চই 'আধাৰ' নামৰ গৱেষণা, বিদ্যায়তনিক আৰু সৃজনীমূলক পত্ৰিকা এখনো প্ৰতি বছৰে প্ৰকাশ কৰি আহিছে। 'আধাৰ'ৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত অৰিহণা যোগোৱাৰ লগতে গৱেষণাৰ এক সুস্থ পৰিবেশ গঢ়ি তোলা।

এই সংখ্যাৰ 'আধাৰ' ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰবন্ধ, গল্প, কবিতা ইত্যাদিৰে সজাই তুলিছে। আমাৰ এই প্ৰচেষ্টা অনাগত দিনলৈও অব্যাহত থাকিব।

তদুপৰি এই শৈক্ষিক অনুষ্ঠানটিৰ যোগেদি 'সাহিত্যম্' (বাৰ্ষিক ২টা সংখ্যাৰ সাহিত্যৰ প্ৰাচীৰ পত্ৰিকা), 'বতৰা' (মাহেকীয়া বেৰ সংবাদ পত্ৰ, বছৰত মুঠ ১২টা সংখ্যা), 'দৈনিক লেখা' (দৈনিক বেৰ আলোচনী) নামৰ তিনিখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ মাজেদি মানসিক আৰু বৌদ্ধিক বিকাশৰ কাৰণে মনোযোগ দি আহিছে। লগতে বাৰ্ষিক 'বিহু আদৰণি' অনুষ্ঠানটিয়ো আয়োজন কৰি অহা হৈছে। এই বছৰ অনুষ্ঠানটি সাফল্যৰ ষষ্ঠ বৰ্ষত ভৰি দিছে।

এই বছৰো 'আধাৰ'খন প্ৰকাশ কৰাৰ মূল উদ্দেশ্যই হৈছে সাহিত্য চৰ্চাৰ এটা পৰিৱেশ গঢ়ি তোলা। আমাৰ চেষ্টা সফল হ'লে সুখী হ'ম।

সমীৰণ বৰগোহাঁই
সম্পাদক 'আধাৰ'

বিশেষ নিবন্ধ

# কাৰ ওপৰত আস্থা ৰাখিব আজিৰ যুৱ প্ৰজন্মই

দ্বীপজ্যোতি প্ৰধান
স্নাতক চতুৰ্থ ষাণ্মাসিক

সমাজখন নিকা কৰিবলৈ হ'লে তাত বাস কৰা মানুহবোৰ সজাগ সচেতন হ'ব লাগিব। বৰ্তমান অসমেই হওঁক বা উত্তৰ-পূৰ্বাঞ্চলেই হওঁক অধিকাংশ যুৱক-যুৱতীয়ে কেৱল হতাশাৰ মনোভাৱ কঢ়িয়াই লৈ ফুৰিব লগা হৈছে। তাৰ কাৰণ সমূহ হ'ল - কৰ্মসংস্থানহীনতা, পশ্চিমীয়া সংস্কৃতিৰ কু-প্ৰভাৱ, গণ মাধ্যমৰ অপব্যৱহাৰ, শাসক গোষ্ঠীৰ দুৰ্নীতি লিপ্ততা। তাতে আকৌ উত্তৰ পূব ভাৰতৰ এটা প্ৰধান সমস্যা হ'ল - সন্ত্ৰাসবাদ। উগ্ৰপন্থীৰ সন্ত্ৰাস আৰু সেনাবাহিনীৰ সন্ত্ৰাস। মুঠৰ ওপৰত এক অশান্তিৰ পৰিৱেশ বিৰাজ কৰিছে। নতুন চামে আগুৱাই যাবলৈ হ'লে আনক অনুকৰণ কৰিব লাগিব। তাকেই কৰিবলৈ যাওঁতে যুৱ প্ৰজন্মই নিজকে সঠিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত কৰিব লাগিব। যাৰ দ্বাৰা দেশৰ, সমাজৰ প্ৰগতি সম্ভৱ হয় এক বিজ্ঞান সন্মত পদ্ধতিত। কিন্তু আজি অতি দুখৰ বিষয় যে যুৱ সমাজৰ মাজত সততা, শিষ্টাচাৰ আদি মানসিকতাৰ অভাৱ দেখা গৈছে। তথাপিও যুৱক-যুৱতীসকলে প্ৰগতিৰ কথা চিন্তা নকৰাকে থকা নাই। আমাৰ সমাজখন দুস্কৃতিয়ে এনেদৰে গ্ৰাস কৰি পেলাইছে, য'ত সৎ চিন্তা চৰ্চাৰ সুবাস নোপোৱা হৈছে। এই ক্ষেত্ৰত প্ৰবীণ তথা অভিজ্ঞসকলে আমাক যেনেদৰে আগুৱাই লৈ যাব লাগিছিল সেইদৰে নিয়া নাই বা নিব পৰা নাই। অসংগঠিত প্ৰগতিশীল যুৱ চামে এনেবোৰ কাৰণতে আস্থাহীনতাত ভুগিছে।

যান্ত্ৰিক সভ্যতাত এনেয়ে মানুহৰ চিন্তা-চেতনা কমি আহিছে। এনে সময়তে যদি যুৱ চামে সঁচাই সমাজৰ পৰিৱৰ্তন চিন্তা নকৰে তেনেহলে সমাজত মানৱীয়তাৰ গুণ কমি আহিব আৰু অধিক অশান্তিয়ে বিৰাজ কৰিব।

সেয়ে আজি আৰু হাত সাৰটি বহি নাথাকি যান্ত্ৰিক সভ্যতাৰ আখৰাৰ লগত মানৱতাৰ আখৰাও কৰি যাব লাগিব। তাৰ বিনে সমাজত শান্তি অসম্ভৱ।

□□□

# চিৰ চেনেহী মোৰ ভাষা জননী

(নিজ ৰাজ্যত অৱহেলিত হলেও বাহিৰা ৰাজ্যত জিলিকিছে)

ভৱেন গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক

চিৰ চেনেহী মোৰ ভাষা জননী আজি কাৰ হাতত?

ইয়াৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব আজি কাৰ হাতত?

এবাৰ দ-কৈ ভাবি চালে গাৰ নোম শিঁয়ৰি উঠিব, গাৰ গৰম তেজ উতলি উঠিব। আমাৰ এই চেনেহৰ মাতৃ ভাষাৰ দুৰ্দশাই কেইজনৰ গাত প্ৰভাৱ পেলাব পাৰিছে? আমাৰ সকলো দল-সংগঠনে কেৱল লেতেৰা ৰাজনীতি কৰিছে। আনহাতে আমাৰ শিক্ষিত যুৱচামে মবাইল, এছ.এম.এছ, ফেচবুক, হোৱাটছ আপ, টুইটাৰ আদিৰ যোগেদি আমাৰ মাতৃভাষাটোক বিকৃত কৰি পেলাইছে। আমি কোনোবাই উলটি চাইচোনে উঠৰ-ঊনৈছ শতিকালৈ? অসমৰ সু-সন্তানসকলে নিজৰ মাতৃভাষাৰ ৰক্ষাৰ্থে কিমানে বলিদান দিছিল? অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা কৰিবলৈ এচাম অসম সন্তানে সমস্ত জলাঞ্জলি দি জোনাকীক জন্ম দিছিল। হাজাৰ ৰোষৰ বলি হৈয়ো 'অৰুণোদইত' নিজৰ মাতৃভাষা আৰু মাতৃভুমিৰ স্বাৰ্থত সকলোকে সজাগ কৰিছিল। ক'ত হেৰাই গ'ল আজি 'ৰামধেনু', জয়ন্তী, 'আৱাহন', 'বিজুলী' আদিৰ জলন্ত চাকি?

সন্দেহ হয়, আজিৰ এই মানুহবোৰে যদি তেতিয়াৰ অসমত থাকিলেহেতেন তেন্তে অসমীয়া ভাষাটোৰ আজি কেৱল ইতিহাসৰ পাতত পঢ়িবলৈ পালোহেতেন। বৰ দুখ লাগে বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আদিৰ দৰে বৰেণ্য ব্যক্তিসকলে কাৰ বাবে দিছিল এই জলাঞ্জলি? লাহে লাহে আমাৰ মাতৃভাষাক বিকৃত কৰি পেলাইছে কিছুমান বিদেশী শব্দই। যিখিনি আমাৰ মাজত আছে সেইখিনিও আমাৰ অসম সাহিত্য সভাৰ প্ৰচেষ্টা আৰু এচাম সচেতন লোকৰ বাবেহে আছেগৈ।

আজিৰ অভিভাৱকে নিজৰ সন্তানক ডাঙৰ মানুহ কৰাৰ উদ্দেশ্যেৰে ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানত ভৰ্তি কৰাই গৌৰৱ অনুভৱ কৰে। আজিৰ অভিভাৱকে নিজৰ



কেঁচুৱাক বুকুৰ ৰেঙনি চিৰ আপোন 'মা-দেউতা', 'ক,খ,গ,ঘ' আদি নিশিকাই 'মাম্মী-ডেড্ডী', 'এ.বি.চি.ডি' আদিহে শিকাই। আজিৰ কিছুসংখ্যক যুৱ প্ৰজন্মই অসমীয়া ক'ব নাজানে, সংস্কৃতি নাজানে ইহঁতৰ লাজ নালাগেনে নিজক 'অসমীয়া' বুলি পৰিচয় দিবলৈ। নিজৰ সন্তানক এনেকৈ বিদেশী সাজত গঢ় দিয়াত অভিভাৱকৰ গৌৰৱ ক'ত।

অসমীয়া ভাষাত উচ্চশিক্ষাৰ বাবে অসমত পৰ্যাপ্ত শিক্ষানুষ্ঠান আছেনে? অসমৰ মাটিত থকা প্ৰতিখন বিশ্ববিদ্যালয়তে অসমীয়া বিষয়ত স্নাতকোত্তৰ, পি.এইচ.ডি, এম ফিল বা অন্য ৰিচাৰ্চৰ দৰে উচ্চ শিক্ষাৰ সু-ব্যৱস্থা আছেনে? নাই, যদিও দুই এখনত আছে, তাৰ আসনেই বা কিমান?

এদিনাখন দোকানী এজনে বস্তুৰ লগত বান্ধি দিয়া পুৰণা বাতৰিকাকতৰ টুকুৰা এডোখৰ মেলি চাওঁতে তাত অসমীয়া ভাষাৰ সম্পৰ্কে কিছু কথা দেখা পালো আৰু তাত থকা কথাখিনি মই নোট কৰি থৈ দিলো। তাত লিখা - আছিল যে ভাৰতৰ বিভিন্ন ৰাজ্যতো অসমীয়া বিষয়ৰ যথেষ্ট সন্মান আৰু সমাদৰ আছে। শুনি হয়তো আচৰিত হ্বলগীয়া। কিন্তু এয়া চিৰসত্য। অমৰ বাহিৰেও ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অসমীয়া বিষয়ৰ সুকীয়া পাঠদান দিয়া হয়। সেয়াও সৰু-সুৰা বিদ্যালয়ত নহয় ভাৰত চৰকাৰৰ আটাইতকৈ শীৰ্ষত থকা উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠান 'জৱাহৰ নৱোদয় বিদ্যালয়'ৰ দৰে শিক্ষানুষ্ঠানসমূহত সুকীয়াভাৱে অসমীয়া বিষয়ৰ পাঠদান দিয়া হয়। নৱম শ্ৰেণীলৈকে অসমীয়া বিষয় বাধ্যতামূলক অৰ্থাৎ প্ৰধান বিষয়সমূৰ ভিতৰত অসমীয়া এটা। 'অসমীয়া' বিষয়ক দ্বিতীয় নাইবা তৃতীয় ৰূপে পাঠদান দিয়া হয়। আনহাতে তাৰে কিছুমান বিদ্যালয়ত অসমীয়া বিষয়টো দশম শ্ৰেণীলৈকে অধ্যয়ন কৰাৰ ব্যৱস্থাও আছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা অসমীয়া বিষয়ৰ পাঠদান আগবঢ়োৱা কিছুমান 'জৱাহৰ নৱোদয়' বিদ্যালয়ৰ এখন তালিকা ৰাজ্য আৰু জিলাৰ সৈতে দাঙি ধৰা হ'ল

ক) অৰুণাচল প্ৰদেশৰ জিলাসমূহ ঃ- অনজাও, চাংলং, ইষ্ট কামেং, ইষ্ট চিয়াং, খোৰুং খুমে, লোহিত (মহাদেৱপুৰ), লৱাৰ দিবাং ভেলী (ৰইং), লৱাৰ সোৱণশিৰি, পাপুমপাৰে (দাইমুখ), টাৱাং, টিৰাপ, আপাৰ শোৱণশিৰি (মেগদং), আপাৰ দিবাং ভেলী, আপাৰ চিয়াং, ওৱেষ্ট কামেং, ওৱেষ্ট ছিয়াং।

খ) মধ্য প্ৰদেশৰ জিলাসমূহ ঃ- দিনদৰী, গোৱালিয়ৰ, হাৰদা।

গ) ঝাৰখণ্ডৰ জিলা সমূহ ঃ- ইষ্ট ছিংভূম, হাজৰিবাগ, জামতাৰা, শহোৰ, ওৱেষ্ট ছিংভূম।

ঘ) বিহাৰৰ জিলাসমূহ ঃ- ঔৰংগাবাদ, বেগুচৰাই, জুমই, গয়া, গোপালগঞ্জ, কৈম্ভৰ (ভবুৱা), খাগৰিয়া, নালন্দা, পাটনা।

ঙ) উত্তৰাখণ্ডৰ জিলাসমূহ ঃ- বাগেশ্বৰ, চম্পাৱত, পাওৰী (গাৰৱাল), পিথাৰা ঘৰ।

চ) নাগালেণ্ডৰ জিলাসমূহ ঃ- কহিমা, জুনেবটু, মিফাআম্যাৰ, ডিমাপুৰ, নংলাং, মোককচাং, মন, পেৰেন, ফেক, টাৱেনচাং, ওখা।

ছ) ছত্তিছগড়ৰ জিলাসমূহ ঃ- ছাৰগুজা (সুৰযপুৰ)

জ) উত্তৰ প্ৰদেশৰ জিলাসসমূহ ঃ- বুলন্দ চহৰ, ফিৰুজাবাদ, কনৌজ, চান্দদলি, অছন্ট বাবীৰ নগৰ, ছনভদ্ৰা।

ইয়াৰ উপৰিও আৰু কিছুমান নতুন ৰাজ্যৰ নবোদয় বিদ্যালয়ত অসমীয়া বিষয় অন্তৰ্ভূক্ত কৰাৰ যথেষ্ট সম্ভাৱনা আছে।

অতিকৈ গৌৰৱৰ বিষয় এই বিদ্যালয়সমূহৰ সমূহ হিন্দীভাষী আৰু অন্য ভাষী ছাত্ৰ-ছাত্ৰীসকলে গভীৰ শ্ৰদ্ধা আৰু সন্মানেৰে অসমীয়া বিষয়ক আকোৱালি লৈছে। আনকি এই বিদ্যালয়সমূহত অসমীয়া সাহিত্য জগতৰ সম্ৰাট বেজবৰুৱাদেৱৰ ৰচিত অসমৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' প্ৰাতঃস্মৰণত গোৱা হয়। সচাঁকৈয়ে সেই ক্ষণত নিজক অসমীয়া বুলি ভাবি গৌৰৱত বুকু ফুলি যায়।

❑❑❑



সাময়িক চিন্তা

# ফিনিক্স পক্ষীৰ বিষয়ে কিছু কথা

জানমণি গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক

কবিৰ হাতৰ ক'লমত প্ৰাণ পাই উঠা এবিধ পক্ষী হ'ল ফিনিক্স পক্ষী। যিজনী পক্ষীয়ে বহুতো কবিৰ কবিতাত উৰা মাৰে আকাশলৈ, কেতিয়াবা প্ৰেমিকাৰ হিয়াৰ বতৰা দিবলৈ আহে। এই পক্ষী অমৰ বুলিও কোনো কোনো কবিয়ে কবিতাৰ যোগেদি প্ৰকাশ কৰে। প্ৰাচীন গ্ৰীক কিংবদন্তি অনুসৰি ফিনিক্স হ'ল সুদীৰ্ঘ কাল জীয়াই থকা এবিধ পক্ষী, যিয়ে এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পুনৰ জন্মলাভ কৰে। ফিনিক্স পক্ষীক পুৰ্ণজীৱনৰ প্ৰতীক হিচাপে গণ্য কৰা হয় যদিও ইয়াক সূৰ্য্য, সময়, সাম্ৰাজ্য, মৃত্যুৰ পিছত আত্মাই এক নতুন শৰীৰত প্ৰৱেশ কৰা, পুনৰুত্থান, মৃত্যুৰ পিছত স্বৰ্গত কটোৱা জীৱন, কুমাৰীত্ব তথা খ্ৰীষ্ঠধৰ্মী জীৱনৰ আনকেইবিধমান দিশৰো প্ৰতীক হিচাপে গণ্য কৰা হয়। এই ফিনিক্স পক্ষী নিচেই কম সংখ্যক হ'লেও আখ্যানত উল্লেখ পোৱা যায় যে চৰাইবিধৰ স্বাভাৱিক ভাৱেই মৃত্যু হয় আৰু তাৰ শৰীৰটো গেলি-পচি যোৱাৰ পিছত তাৰপৰাই পুনৰ এটা নতুন চৰাইৰ জন্ম হয়। বিশ্বৰ বিভিন্ন সংস্কৃতিত ফিনিক্সৰ সৈতে মিলা আন বিভিন্ন চৰাইৰ বিষয়ে উল্লেখ পোৱা যায়। এই সমূহৰ ভিতৰত অন্যতম হ'ল - হিন্দুসকলৰ গড়ুৰ পক্ষী, ৰুছ সকলৰ ফায়াৰ বাৰ্ড, তুৰ্কী সকলৰ কাক'ছ ইত্যাদি।

❑❑❑

# উন্মাদনা ফাগু

চন্দ্রিকা কোঁৱৰ
স্নাতক চতুৰ্থ ষাণ্মসিক

*মনৰ ফাগুন আহিলে পলাশে ফুলিলে বৰদৈচিলাও বলিলে*
*চ'তৰে শেষতে....*

ফাগুন বুলি ক'লেই মনত পৰে মদাৰ, পলাশ ফুলাৰ বতৰলৈ। প্ৰকৃতিৰ ন-সাজ, ন-ৰূপ, মতলীয়া বতাহ যেন এক নৱ পৃথিৱীৰ আগমন। শিমলু তুলাৰ ৰঙীন ছবিয়ে চিনাকি মনৰ বতৰা দিয়ে। চৰাই-চিৰিকতিৰ ছিঁ-ছিঁয়নি মাতে পুৱাৰ সজল কিৰণ আলোকিত কৰাৰ দৰেই ফাগুনেও আগমনি জনায় প্ৰকৃতিসৃষ্ট সুন্দৰ পৃথিৱীক। এয়া যে ফাগুনৰ উৰুঙা লগা হিয়া। লঠঙা গছবোৰে ন-সাজ পিন্ধি শুনি আছে ফাগুনৰ মৃদু মৃদু মলয়াৰ জিৰজিৰণি। শুৱনি হৈ উঠিছে প্ৰকৃতিৰ শৰীৰ, প্ৰকৃতিৰ তেজ। বতাহবোৰে উৰুৱাই আনিছে ধুলিয়ৰি কণাৰ বিৰিঙনি।

'ফাগুন' সঁচাই অবুজন। আকাশখনক নীলা কৰি তুলিছে ফাগুনৰ জীপাল অনুভৱে। ডাৱৰে ডাৱৰে কথা পাতিছে, হাঁহিছে ফাগুনে। নাজানে ফাগুনে বৰষুণৰ তৃষ্ণা ভৰা চাঁৱনিৰ কথা। ফাগুন উৰি ফুৰা এজাক বতাহৰ বা। ৰাংচালী পখিলাবোৰ, মৌ-মাখিবোৰে বিৰিখৰ ডালে ডালে গুণ গুণায় লহৰে লহৰে। এই ফাগুন প্ৰকৃতিৰ নাচোন। ই দিয়ে বহাগৰ আগমনি। ফাগুন যেন প্ৰকৃতিৰ অপৰূপ সৃষ্টিৰ প্ৰতীক হৈ ৰওক।

❑❑❑





# স্মৃতিবোৰে কন্দুৱাই...

ইৰাণী গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

আবেলিৰ সময়। আনদিনাৰ দৰেই ঘৰৰ আগফালে ৰাস্তাইদি যোৱা মানুহ চাই বহি আছিলো। তেনেতে এহাল প্ৰেমিক-প্ৰেমিকা বাইকত পাৰ হৈ গ'ল। সিহঁতৰ মনত কিমান যে সপোন? মুখত মৌসনা হাঁহি। কিন্তু মোৰ তেওঁলোকক দেখিলে শোকে খুন্দা মাৰি ধৰে। অস্থিৰ হৈ পৰে মোৰ মন। উভতি যাওঁ কেইবছৰমানৰ সেই ঘটনাটোলৈ।

ৰাতিপুৱা ৭ বাজিছে। মই বিছনাত।

"হৰ' তই শুইয়েই থকিবিনে কিবা কাম-চাম বিচাৰিবি? লোকৰ ল'ৰাই চাকৰি কৰি মাক বাপেকক খুৱাইছে। আমাৰ ল'ৰাক মাক বাপেকেহে খুৱাব লাগে।

"এই মাৰ পৰা আৰু শান্তি নাই। দিনৰ দিনটো বকি থাকিবই শুৱাৰ সময়তো শান্তি নিদিয়ে।" তেনেতে ম'বাইলটো বাজি উঠিল।

"অ' বৃষ্টি কি হ'ল কোৱা?" - বৃষ্টি মোৰ কলেজীয়া বন্ধু অৰ্থাৎ প্ৰেমিকা।

"তোমাক মই লগ পাব বিচাৰো সোনকালে।" বৃষ্টিৰ কথাষাৰত এনেকুৱা লাগিছিল তাই যেন বিপদত পৰিছে। "ইউনিভাৰচিটিৰ সন্মুখলৈ আহা। তাতে মই লগ কৰিম।" - মই বাইকখন লৈ ওলাই গ'লো। বৃষ্টিক লগত লৈ পাৰ্কৰ এটুকুৰা নিৰ্জন ঠাইত বহিলো।

"বৃষ্টি, এইবাৰ কোৱা, কি হ'ল? ইমান খৰ্ধৰ্‌কৈ কিয় মাতিছিলা? - কিন্তু তাই একো কোৱা নাছিল। আচলতে তাই ক'ৰ পৰা আৰম্ভ কৰিব ভাবিয়ে পোৱা নাছিল।

"বৃষ্টি কোৱা" - তাই একো নকৈ কান্দিবলৈ ধৰিলে। তাইৰ হাতখনত ধৰি তাইৰ মনৰ কথা বুজিবলৈ চেষ্টা কৰিলো।

"বৃষ্টি নাকান্দিবা। তুমি ক'লেহে মই জানিম। কোৱা।" - ৰুমালেৰে চকুলো মোহাৰি তাই স্বাভাৱিক হ'বলৈ চেষ্টা কৰি ক'লে - "আমি ভবা মতে একো নহ'ব অমৃত।"

"মানে তুমি কি ক'ব বিচাৰিছা?"

"আমাৰ সম্পৰ্কটো মা-দেউতাই মানি লোৱা নাই আৰু মোক আনৰ লগত বিয়া

দিয়াৰ কথা ভাবিছে।”
“কিন্তু কিয় ?’ - তাইৰ কথা শুনি মই আচৰিত হ’লো।
“কাৰণ তুমি মুছলিম আৰু মই হিন্দু পৰিয়ালৰ। মুছলিম ল’ৰাৰ লগত বিয়া হোৱাটো মা-দেউতাই নিবিচাৰে।” “আমি দুয়ো ভালপাওঁ। আমাৰ মাজত জাতি, ধৰ্ম এইবোৰ ....।”
“ভাল পোৱাটো আমি জানো। কিন্তু মা-দেউতাই এইবোৰ নাজানে।
“অমৃত, আমাৰ হাতত আৰু বেছি সময় নাই। তুমি কিবা কৰা নাইবা চিৰদিনৰ বাবে মোক পাহৰি যোৱা।”- তাইৰ মনত শোকে খুন্দা মাৰি ধৰিছিল যদিও সহজভাৱে কথাষাৰ কবলৈ চেষ্টা কৰিছিল।
“বৃষ্টি, মই তোমাক ভাল পাওঁ। তোমাক কেতিয়াও পাহৰিব নোৱাৰো। কলেজত পঢ়াৰে পৰা মই তোমাক ভাল পাওঁ। এতিয়া....। তুমি চিন্তা নকৰিবা এদিন সকলোবোৰ ঠিক হৈ যাব।” মই কি কৰো একো ভাবি পোৱা নাছিলো। তথাপি তাইক সান্ত্বনা দিবলৈ চেষ্টা কৰিলো।
“ওহোঁ, এইবোৰ এনেকৈয়ে ঠিক নহয়। আমি আমাৰ প্ৰেমক বিসৰ্জন দিব লাগিব।” - তাই গভীৰ ভাৱে ক’লে।
“নালাগে আমি আমাৰ প্ৰেমক কেতিয়াও বিসৰ্জন দিব নালাগে। মই এটা সিদ্ধান্ত লৈছো।” মই তাইৰ দুখ আৰু সহ্য কৰিব নোৱাৰিলো। হঠাৎ কব নোৱাৰাকৈ জীৱনৰ আটাইতকৈ ডাঙৰ সিদ্ধান্তটো লৈ পেলালো।
“সিদ্ধান্ত মানে...।”
“সিদ্ধান্ত! মই তোমাক বিয়া কৰোৱাৰ সিদ্ধান্ত। বলা এতিয়াই যাওঁ, আমি দুয়ো বিয়া পাতোগৈ।” - তাই অবাক হৈ ৰ’ল। তাইৰ মনত চাগে বহু প্ৰশ্নৰ উদ্ভাৱন হৈছিল। মই তাইৰ হাতত ধৰি টানি লৈ গ’লো আৰু কলৈকো মন নকৰি ৰাস্তাটো পাৰ হবলৈ চেষ্টা কৰিছিলো। আচলতে সেই সময়ত কব পৰা নাছিলো।

“অমৃত ব’ল ভিতৰলৈ যাওঁ। আন্ধাৰ হ’ল নহয়।” - অকস্মাৎ মাৰ মাত শুনি বৰ্তমানলৈ ঘূৰি আহিলো। চকুলো মোহাৰি মাৰ ফালে চাই এটা সামান্য হাঁহি মাৰিলো। চকীখনৰ পৰা উঠি মাক ধৰি ধৰি ভিতৰলৈ সোমাই গ’লো। পুৰণি স্মৃতিবোৰে এতিয়াও লগ এৰা নাছিল। পুনৰ মনত পৰি গ’ল বৃষ্টিক হেৰুৱা দিনটোৰ কথা।



ব্যক্তিগত চিকিৎসালয়ৰ এটা কোঠাৰ বিচনাত মই চেতন অৱস্থাত। ইতিমধ্যে মোৰ চেতনা ঘূৰি আহিছে আৰু মই বিচনাৰ পৰা নামিবলৈ লোৱাত পৰি গ’লো।
“উহ” - মোৰ ভৰিটো কি হ’ল আৰু বৃষ্টি ক’ত?” - মোৰ প্ৰশ্নত সকলো অসহায় হৈ এজনে আনজনৰ চকুলৈ চাবলৈ ধৰিলে।
“মা তুমি কোৱা!!-
“তোমালোকৰ এক্সিডেন্ট হৈছিল। তাতেই তোমাৰ ভৰিখন হেৰুৱালা আৰু বৃষ্টি....!! - কথাষাৰ শেষ কৰাৰ পূৰ্বেই মা কান্দি উঠিল আৰু খৰ খোজেৰে কোঠাৰ পৰা গুচি গ’ল।
কথাষাৰ জানিবলৈ আৰু মোৰ বাকী নাথাকিল তথাপি ডক্টৰজনে স্পষ্টভাৱে জনালে - “বৃষ্টিয়ে দুদিনৰ আগতেই এই পৃথিৱী ত্যাগ কৰিলে।
মোৰ মূৰত যেন সৰগখন খহি পৰিল। বৃষ্টিক হেৰুৱা কথাষাৰ মনত পৰিলেই যেন মোৰ চাৰিওফালে অন্ধকাৰে চানি ধৰে। সেইদিনাই আছিল বৃষ্টিৰ লগত শেষ দেখা। বৃষ্টিৰ মৃত্যুৰ বাবে আজিও মই নিজকে দোষী সজাবলৈ বাধ্য। মোৰ বাবেই তাই আজি মোৰ পৰা, এই পৃথিৱীৰ পৰা আঁতৰি গ’ল। মই যদি বৃষ্টিৰ মাক-দেউতাকৰ কথা মানি ল’লোহেঁতেন!! তাৰেই শাস্তি চাগে মোৰ এই পংগু জীৱন। ইয়াৰ বাবে মই কেতিয়াও নিজকে ক্ষমা কৰিব নোৱাৰো।

❑❑❑

# অৰুন্ধতী

মলয়া গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক

আম গছ জোপাত কুলি চৰাইজনীৰ হিয়া ভগা কান্দোন শুনি জেতুকীৰ সমগ্ৰ শৰীৰৰ মাজেৰে যেন এজাক ধুমুহা পাৰ হৈ গ'ল। তাই মনতে গুণা গথা কৰিলে হাজাৰ হ'লেও বহাগৰ বিহু। বেমাৰী জনৰ মুখতেই বিহু বুলি কিবা এটা যাচিবলৈকে লাগিব, তেল পিঠা, তিল পিঠা, চিৰা, দৈ ইত্যাদি ইত্যাদি। তাই মনতে ভাবিলে বেছি নহ'লেও কমকে হ'লেও হ'ব, আলহী বুলিবলেতো তেনেকৈ নায়েই তথাপি - এনেতে জেতুকীক ভাব গধুৰ জগতখনৰ পৰা বাহিৰ কৰিলে কলি বাইয়ে। কলি বাই নামটো যেনে কামো তেনে। কাৰোবাক দুখৰ বতৰা এটা নিদিলে যেন তেওঁৰ পেটলৈ ভাতেই নাযায়।

কলি বাই ঃ- কি অ' জেতুকী তই হবলা আকাশখন ফুটা কৰি দিবি?
(আকাশলৈ চাই ভাৱত বিভোৰ হৈ থকা জেতুকীক ক'লে)

জেতুকী ঃ- এস' নহয় অ' কলি বাই বেলেগ কথা এটাহে.....

(জেতুকীৰ কথাষাৰ সম্পূৰ্ণ কৰিব নিদি তেওঁ ক'লে, হ'ব দে যি ভাব ভাবি থাক। কথা এটা কবলৈ হে মই তোৰ ওচৰ পালোহি। জেতুকীৰ বুকুখন চিৰিং কৰি উঠিল আকৌ বা কি কথা কয়। তথাপি মনৰ ভাব ঢাকি ধৰি সাধাৰণ ভাবেই ক'লে - কি কথা কওঁকচোন। তাই যেন এটা দুখৰ বতৰা শুনিবলৈ কাণ থিয় কৰি ৰাখিলে। আৰু সেইয়াই হ'ল - কলি বাই ক'লে - তই শুনিছনে ৰতনে হেনো এইবাৰ বহাগতে বিয়াখন পাতিব। জেতুকীয়ে মনতে ফুৰা তাৰাক মাতিলে "হে ফুৰাতাৰা মোক ৰক্ষা কৰা" কিন্তু কলি বাইক দেখুৱাই তাই একোকে নক'লে কেৱল মৌন হৈ ৰ'ল। তাকে দেখি কলি বাই ক'লে - কি হ'ল তই দেখোন একোকে নকলি। জেতুকীয়ে নিম্নস্বৰে ক'লে মইনো কি কম এৰা মইনো কি কম। কলি বাই ক'লে- একোকে নকৰ? তই কি আচৰিত? মই হ'লে একো নোৱাৰো। মই যাওঁ দে, তোৰ লগত কথাৰ মেল মাৰিলেনো কি হ'ব হা না একোকে নকৰ। মই যাওঁ বুলি কৈ কলি বাই গুচি গ'ল। জেতুকী শিল পৰা কপৌ হৈ পৰি থাকিল। নিজকে কোৱাৰ দৰ কলে, তৰা মই বৰ আচৰিত। এদিন সেই একেষাৰ কথাকে ৰতনেও মোক কৈছিল, কিয় জানো মই ইমান আচৰিত। যিদিনা মই ঘৰৰ পৰা ওলাই গুচি গৈছিলো সেই দিনাও মই সকলোৰে বাবে আচৰিতেই আছিলো। ইমান শান্ত স্থিৰ ছোৱালীজনীয়ে পলাই যাব পাৰেনে? কি আচৰিত? স্বামীৰ ইমান অৱহেলা সহ্য কৰিও কোনো দিনে কন্দা নাছিলো। কি আচৰিত?

ইমান অত্যাচৰ অৱহেলা সহ্য কৰাৰ পাছতো মই স্বামীৰ পতিব্ৰতা হবলৈ এৰা নাছিলো কি আচৰিত? চাৰিওফালে কেৱল মোৰ কাৰণে আচৰিত আচৰিত আচৰিত। সেইদিনা আছিল বহাগৰ দুমাহি। মোৰ মনটো ৰাতিপুৱাৰে পৰা কিবা এটা বুজাব নোৱাৰা আৱেগত বিভোৰ হৈ পৰিছিল। অৰ বস্তু ত'ত থৈছো ত'ৰ বস্তু ইয়াত থৈছো তাকে দেখি আয়ে কৈছিল এইজনীকচোন আজি বৰ আপদীয়া দেখিছো। কি কৰে ঠিক নাই। মই যি কৰিম তাক যেন মই আইক লগে লগে কৈ দিম কিন্তু কব যে নোৱাৰিলো। সেইদিনা গধুলি ৰতনে মোৰ বাবে নৈ পাৰত ৰৈ আছিল আৰু মই ঘৰৰ টিপ চাকি কেইটা জ্বলাই লেমৰ চিমনিটো চাফা কৰি আনো বুলি বাহিৰলে যাওঁতেই এক মুহুৰ্ত্ততে ঘৰৰ সন্মুখৰ মূল পথ এৰি নৈ পাৰলৈ যোৱা লুংলুঙিয়া বাটটো পাইছিলোগৈ। মনত সেইদিনা কোনো ভয় সংশয় নাছিল। মাথোন দৌৰি গৈছিলো ৰতনৰ কাষলে কেৱল ৰনতৰ কাষলে, সেইদিনাই মই ৰতনৰ ঘৰ সোমাইছিলো আৰু সপোন দেখিছিলো আকাশৰ অৰুন্ধতী হোৱাৰ। কিন্তু মোৰ সপোনবোৰ চিঙি আহি মাটিত পৰিছিল, মই যেন অকলশৰীয়া হৈ পৰিলো। যিজনৰ কাৰণে মই মোৰ আই, পিতাইক এৰি গুচি আহিলো সেইজনেই মোক এটা সন্তান নোহোৱাৰ বাবে দিনে দিনে ঘিণ কৰিবলৈ ধৰিলে। প্ৰতিষাৰ কথাতে মোক কাঠবাজী বুলি ভৰ্ৎসনা কৰিবলৈ ধৰিলে, অথচ সেইজনেই মোৰ জীৱনৰ প্ৰথম পুৰুষ আছিল যাক মই সপিছিলো মোৰ শৰীৰ, মন সকলো। তেওঁ বিচৰা ধৰণে মই প্ৰতি সন্ধ্যাই সাজো হৈছিলো তেওঁৰ ৰম্ভা, মেনকা হবলৈ। কিন্তু মই নোৱাৰিলো মই সাৰি গলো। মই উভতি আহিলো মোৰ পিতাইৰ কাষলৈ। আইয়ো মই ওলাই যোৱাৰ দুবছৰৰ পাছতে এই সংসাৰ এৰি গুচি গল। কিন্তু মোৰ বাবে পিতাই ৰৈ গল কেৱল মোক আশ্ৰয় দিবলৈ। এতিয়াও যেন মই ৰৈ আছো মোৰ ৰতনৰ অৰুন্ধতী হবলৈ। এবাৰ আহি তেওঁ যেন মোক কব বলা সোণ, মই তোমাক লৈ যাবলৈ আহিছো। তোমাৰ অবিহনে মই নোৱাৰো থাকিব যিদৰে নোৱাৰিছিলো তোমাক মোৰ কৰি লোৱাৰ আগত। কিন্তু তেওঁ নাহিল, আহিল কেৱল কলি বাই সুখৰ এটি বতৰা লৈ।

*বিঃদ্রঃ- অৰুন্ধতী - সপ্তৰ্ষি মণ্ডলৰ কাষতে থকা এটি তৰা। বশিষ্ঠ মুনিৰ পত্নী, যি অত্যন্ত পতিব্ৰতা আছিল - যাৰ বাবে তেওঁ আজিও স্বামীৰ কাষতে থাকে।*

□□□

## চকৰি ফেঁটী

অভিজিৎ শইকীয়া
ষষ্ঠ ষাণ্মাসিক

এদিন ৰাতি তোমাক এটা সাপে মেৰাই ধৰিব
সিদিনা তুমি গোটেই ৰাতি উজাগৰে থাকিবা
উচুপি ........... উচুপি ...........
চকুৰ পানী আহি
নাকৰ পাৰে বাগৰি
দুই ওঁঠৰ কোণেৰে প্ৰৱেশ কৰিব
তোমাৰ অন্তৰলৈ ......।
গাঢ় ৰঙা কলিজাৰ তেজতো ঘটিব
ৰাসায়নিক বিক্ৰিয়া
বিষাদৰ যন্ত্ৰণা সাপডাল হ'ব
এদিনৰ বাবে ..... এৰাতিৰ বাবে
তোমাৰ শয্যা সঙ্গী .....।
মাত্ৰ তোমাক মেৰাই ধৰিব
একো নামাতে...... নকৰে
তুমি ভয় কৰিলে সিও ভয় কৰিব।
কিন্তু সি বিষাক্ত...।

তাক আমণি কৰিলে
সিও তোমাক আমণি কৰিব
তাক আঘাত কৰিলে
সিও তোমাক আঘাত কৰিব
তাক কামুৰিলে সিও তোমাক
কামুৰিব..... মাত্ৰ প্ৰাণৰ বাবে।



তুমি ভালপোৱাৰ দৰে সিও
ভালপায় প্ৰাণ......
জীয়াই থকাৰ বাসনা।

কোনোবা অজ্ঞাত শত্ৰুৱে তাক
খেদি পঠালে......
ঘৰৰ কুকুৰে ৰাহি যোৰা নিমিলে
পিৰালিত বহি ৰাইজমেল পাতে।

সি জীয়াই থাকিবৰ বাবে
তোমাক সাবতি ধৰিব
এদিনৰ বাবে তাৰো প্ৰয়োজন হ'ল
সঙ্গীৰ.......

সি তোমাক ন-বসন পিন্ধাব
সেউজীয়াক ৰঙা কৰিবলৈ
তোমাৰ আক্ষেপক সি পাগল কৰিব
খঙৰ উত্তাপত হৃদয় গলিব

খঙৰ ৰঙীন চিল্‌মিলিয়া.....।
সি চকৰি; গপচত ফেঁটি তুলি
ৰজা হোৱাৰ স্বপ্ন দেখে
আৰু চকৰিৰ দৰেই যেন এক
দুৰ্নীতিকাৰী.....!

চখতে সৰু মানুহৰ ৰং আনন্দবোৰ
মেৰিয়াই হেতেলি খেলে আৰু
নৈমিত্তিক জীৱনৰ সঙ্গী কৰি লয়
শোষক...... পুঁজিপতিৰ
ৰঙীন পৃথিৱীক।।
(ৰঙা ছবি ঃ শোষিত জনতা)

❑❑❑

# প্ৰাচীন অনুভৱ

পলাশজ্যোতি গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

এজোপা প্ৰাচীন গছৰ ছাঁত তাই জিৰণি লৈছিল
গছৰ শিপা বগাই বিচাৰিছিল
এখন প্ৰাচীন চহৰৰ ঠিকনা
চহৰৰ ভগ্নাৱশেষত বিচাৰি ফুৰিছিল
এটা প্ৰাচীন আধা দেখা সপোন।

সপোনটোত শেলাই পৰিছিল
শেলুৰৈয়ে সপোনটো ভাঙিছিল
ভগা সপোনটোৰ টুকুৰাৰ পৰা
ৰক্তবীজৰ দৰে হাজাৰ হাজাৰ সপোনৰ জন্ম হৈছিল।

সপোনবোৰ ক্ৰমশঃ বাঢ়ি আহিছিল
বাঢ়ি আহি সিহঁত আঘোণৰ পথাৰ পাইছিল
টঙি ঘৰত উঠি তাই আঘোণৰ পথাৰত
ধান ৰাখিছিল
আঘোণৰ পথাৰত সপোনবোৰে এটা
অজগৰৰ ৰূপ লৈছিল
অজগৰটোৱে গোপনে তাইক মেৰিয়াই ধৰিছিল
অজগৰটো অভিশপ্ত ৰাজকুমাৰ নাছিল
যে তাইক সোণ-ৰূপৰ গহণাৰে সজাই
পাটৰাণী কৰিব।
অজগৰটোৱে তাইক গিলিছিল, তাই ছটফটাইছিল
ছটফটাই ছটফটাই তাই অনুভৱ কৰিছিল
তাইৰ সপোনটো সপোন হৈ ৰ'ল
প্ৰাচীন চহৰখন ধূসৰ হৈ পৰিল
প্ৰাচীন গছজোপা আৰু তাই নিজকে আৱিস্কাৰ কৰিলে
এটা আধাডুখৰীয়া প্ৰাচীন সপোনৰ ৰূপত।

□□□



# হৃদয়ৰ অনুভৱ

ময়ুৰতৃষ্ণা পাটৰ

তোমাৰ অবিহনে মই বৰ অস্থিৰ আজি
বিষাদৰ বৰষুণত তিতি তিতি
পাৰ কৰিছো দিনৰ পিছত ৰাতি
তুমি কিজানি উভতি নাহিবা।

আজি সেমেকা সন্ধিয়া
জোনাকবিহীন গোমা আন্ধাৰ আকাশ।
তুমি দিয়া ভালপোৱাৰ নামহীন ইতিহাস।
মোৰ হৃদয়ে বুজিছিল।

কিমানটা যে পূৰ্ণিমাৰ ভৰা জোন
সাক্ষী আছিল আমাৰ প্ৰেমৰ!

তোমাৰ প্ৰতিশ্ৰুতিবোৰ
অভিমানত সৰকি যাব নিদিবা।
নিদিবা পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ
ভাঙিব মোৰ হৃদয়ৰ গৰা।

তোমাৰ প্ৰতিচ্ছবি মোৰ বুকুত
একাত্ম হৈছে নে নাই চাবলৈ
কিনো প্ৰমাণ লাগিছে
শাওনৰ জীপাল পথাৰখনৰ
দৰেইতো এই ভালপোৱা।

□□□

# এবুকু হালধীয়া অনুভৱ

মধুস্মিতা বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক

সোণাৰু ফুলিছে
এবুকু হালধীয়া অনুভৱ হৈ।
তোলপাৰ লগাইছে ভাৱনাই,
বিলাই দিব মন
বহুতৰে মাজত
ভয় লাগে,
নলয় যদি আকোঁৱালি।
সহিব নোৱাৰিম
বিচ্ছেদৰ যন্ত্ৰণা,
হয়তো,
সাজিবও নোৱাৰিম, জীয়া দুখবোৰৰ ঘৰ।
তেতিয়া,
কেনেকৈ থাকিম জীয়াই
দুখবোৰৰ সঁতে?

□□□

# ছাঁ

বনশ্ৰী গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক

(১)
আজি সেই দিন নাই

(২)
নিজৰ অন্তৰাত্মাৰ মাজত সুমাই
থকা ক্ষুদ্ৰ মনটোৱে
আজিকালি ভয় কৰে।
কিজানিবা তাক হানি-খুচি
হত্যা কৰে।

(৩)
আজিৰ জীৱ শ্ৰেষ্ঠৰূপী মানৱ
মুখা পিন্ধা একো একোজন ভাৱৰীয়া
সমাজ নামৰ নামঘৰৰ মজিয়াত
ভাওনাত ভাও লোৱা
একোজন শিল্পী।
কোনোবা নপতা ফুকনে
উচতোৱা
বাদ্য বজাই
ভাৱৰীয়াক নচুৱায়।

□□□

# শৰৎ

ববিতা কোঁৱৰ
দ্বিতীয় ষাণ্মাসিক

আহিন অহা বাটেৰে
তুমি আহা নিয়ৰৰ মুকুতা হৈ।
মোৰ হৃদয়ৰ দলিচাত
প্ৰেমৰ সুবাস সিঁচিবলৈ।
শৰৎ......
তুমি কিয় আহা
আহিনৰ আগন্তুক হৈ
তুমি আহিলে মোৰ
মন হৈ পৰে চঞ্চল।
শেৱালি ফুলৰ সুন্দৰ সুবাসে
মোক তুমি অহাৰ
বাতৰি দি যায় গোপনে।
শৰৎ......
তুমি আহিলে
নৈ পাৰৰ কঁহুৱাডবাই
হালি জালি নাচে।
শৰতৰ ৰূপালী জোনাক
মোৰ বাবে সবাতোকৈ প্ৰিয়।
সেই জোনাকত বিচাৰি পাওঁ মই
মোৰ প্ৰেমিকাক।
শুভ্ৰ শেৱালিৰ দলিচা গৰকি
তুমি সদায় আহিবা সংগোপনে
শৰৎ......
তোমাক স্বাগতম।

□□□



# ফাগুন

পল্লৱী গগৈ

ফাগুন, তুমি আহা
মদাৰ ফুলৰ সতে
প্ৰকৃতিক সজাবলৈ
কি যে তোমাৰ, মিঠা লগা কথা,
মিঠা লগা ৰ'দ
আৰু মন মতলীয়া 'বা..
তোমাৰ বুকুতে সৰে
সৰগৰ মুকুতা।।
শীতৰ বুকুচাত,
পেপোৱা লাগি থকা,
প্ৰকৃতিজনী,
যেন জগাই দিছা তুমি,
গুচাই গাৰ কেথাখনি।
বসন্তৰ আগমণৰ বাবে
সুকুমল দলিচা
পাৰি দিয়া তুমি,
সুকোমল দলিচাৰে
আহি ঋতুৰাজ বসন্তই
ন-কন্যাৰ সাজেৰে
অলংকৃত কৰি তোলে
প্ৰকৃতিজনী ।।

□□□

# আঘোণ

বন্দনা বৰুৱা
চতুৰ্থ ষাণ্মাসিক

সোণোৱালী পথাৰৰ
সোণগুটি বুটলি
উলাহত নাচে মন
আঘোনৰ ডাৱনি।
মোহনীয়া ৰেহৰূপ
দেখি লাগে ভাল,
খেতিয়কৰ বাবে এইয়া
আনন্দৰ কাল।
আঘোণ মানেই যেন
ধাননিৰ মেলা
ধাননিৰ মাজে মাজে
লুকা ভাকুৰ খেলা।
পুৱাৰে বেলিটি গৈ
পশ্চিমত ডুবে
সন্ধিয়াৰ আকাশত
মেলানি মাগে।

□□□

# মোক এজাক বৰষুণ হ'বলৈ দিয়া

ৰিকুমণি গগৈ
চতুৰ্থ ষাণ্মাসিক

মোক এজাক বৰষুণ হ'বলৈ দিয়া
চুই চাবলৈ দিয়া
উজাগৰী নিশাৰ নিৰৱতাবোৰ
কাহানিও জানিব নিবিচাৰো
কিমান দূৰলৈ শিপাব পাৰে,
নিৰৱতাই;
অথবা নিস্তব্ধতাই আমনি কৰা
হৃদয়ৰ পৰিধি কিমান।
মোক এজাক বৰষুণ হ'বলৈ দিয়া।
জানিবলৈ দিয়া কিমান অভিমানী হ'লে
নদীয়ে স্পৰ্শ কৰিব বিচাৰে আকাশ
আৰু আৱেগৰ গভীৰতা কিমান হ'লে
বুকুত নামে সেউজীয়া ঢল
মোক এজাক বৰষুণ হ'বলৈ দিয়া।
তিতিবলৈ দিয়া মনৰ জোখাৰে
জানিবলৈ দিয়া,
শূন্যতাৰ অনুভৱ কিমান তীব্ৰ হ'লে
নিৰৱতাৰ বুকুত সাজিব পাৰি
সেউজ স্বপ্নৰ হেঁপাহৰ পঁজা।

❑❑❑

# ঐ মৰমলগা ছোৱালীজনী

সমীৰণ বৰগোহাঁই

ঐ মৰমলগা ছোৱালীজনী!
তোৰ হৃদয়ত লিখছোন এবাৰ
মোৰ হৃদয়ৰ কথাবোৰ,
মোৰ কলিজাত দেচোন আঁকি
কলিজাৰ ঠিকনা তোৰ।

তোৰ দুগালত সিঁচিবৰ মন
সপোনযেন চুমাবোৰ
দুচকুত তোৰ চাবৰে মন
জোনাকৰ বৰষুণ।

মৰমলগা ছোৱালীজনী ঐ!
মোৰচোন খুউব মন যায়
মৰম পাবলে তোৰ
তোৰ বাৰু নাযায়নে মন
বুকুতে শুৱলে মোৰ?

❑❑❑



# ভাল পাওঁ তোমাক

ববিতা কোঁৱৰ
স্নাতক ষষ্ঠ ষাণ্মাসিক

সোণাৰি কলেজ,
ভাল পোৱাৰ প্ৰতিদান দিলা অশ্ৰুধাৰা
তোমাৰ চাৰিনিত ফুলি উঠে সকলো কৃষ্ণচুৰা
তোমাৰ হাঁহিত জিলিকি উঠে সৰগৰ মুকুতা
তথাপি তুমি মৌন, সদায়ে নিৰৱ।

পূৰ্ণিমাৰ জোনটি দেখিছা?
কি দৰেৰ' লাগি চাই থাকে পৃথিৱীক
সি পৃথিৱীৰ প্ৰেমত পৰে
মিলনৰ বাসনাত দহি পুৰি মৰে
তথাপি পৃথিৱী মৌন, সদায় নিৰৱ
পৃথিৱীৰ অৱজ্ঞাই তাক জ্বলাই মাৰে
এনেদৰে বুকুত বেদনা লৈ সি হেৰাই যায়।

মই হেৰাই যাব নিবিচাৰো
তোমাৰ কুশল বাৰ্তা লৈ জীয়াই থাকিব বিচাৰো
তোমালৈ মনত পৰিলে ফটিকাক লগৰী কৰিম
তোমাক চাবৰ মন গ'লে, চিগাৰেট দুহাতে বিচাৰিম
ফটিকাৰ নিছাত মাতাল হ'লেও তুমি নাথাকিবা মোৰ কাষত
উচুপি উঠিবলৈ মৰমৰ বুজনি দিবলৈ হয়তো নাথাকিব মোৰ মা...
মৃত্যুৰ পথিক তেওঁ পলে পলে গণিছে ক্ষণ
দেউতাই এৰি গ'ল ল'ৰালি কালত
কোনেনো দিব মোক মৰমৰ ধমক
সেয়ে ফটিকা পি মাতাল হলেও
নাকান্দে কোনেও, কান্দিব নো কোনে?
তুমিতো যাবাগৈ এৰি সাক্ষী হ'ব হৃদয়ৰ
বিষাদ লগৰী.....

❑❑❑

# তুমি এখন নদী হোৱা

মধুস্মিতা বৰুৱা
চতুৰ্থ ষাণ্মাসিক

মই যে এখন নদী হৈ গলো
কেনেকৈ ভালপাওঁ তোমাক
যিদিনাই তুমি আহিবা এখন নদী হৈ
সিদিনাই এক হ'ম দুয়ো অনন্তকাললৈ
বৈ যাম নিৰবধিভাবে
সাগৰৰ বিশালতাত ডুব যাবলৈ
এক দুৰন্ত অপেক্ষা.......
মই জানো তুমি এদিন নদী হ'বা
আৰু দুকোল উপচাই পাৰ ভাঙি আহিবা
মিলন হ'বলৈ
অপেক্ষাৰ ক্ষণ যে বৰ বিৰক্তিকৰ
তথাপিও বাট চাম
ওৰে জীৱনলৈ।

❑❑❑

# জীৱন মায়া

চন্দ্ৰিকা কোঁৱৰ

হৃদয়ৰ কহুৱা বাৰিষাৰ আস্বাদন হৰিলে
বিচাৰি পাওঁ
দুখৰ মাজতো সুখ
সুখৰ মাজতো দুখ
কল্পনাৰ আশাৰ জোনাকত
তিৰ্‌বিৰ্ সপোনবোৰে
কিয়ে আনন্দবোৰ ৰহণীয়াই
ভাবিলে মনটোৱেও ক'ব খোজে
জীৱনৰ অৱধৰিত বাস্তৱ কথাবোৰ
নদীৰ ঢৌৰ দৰেই উটি আহে
ক্ৰমাতঃ
জীৱনৰ সন্ধ্যাবোৰ
বিচাৰি ফুৰোঁতে জীৱন যৌৱন হৈ
পাৰ হয়
চকুৰ পচাৰতে
ব্যস্ততাই মাথো
আগুৱাই যায়
হেঁপাহৰ অন্তিম পদূলিলৈ
হেঙুলীয়া বতাহৰ গানৰ কোলাত
দেখা পাওঁ অনেক আকাশ
ক্ষুধাতুৰ পখী হৈ...

❑❑❑



# পাৰিবা জানো আমাৰ ভালপোৱাক পাহৰিব ?

কবিতা গগৈ, স্নাতক চতুৰ্থ ষাণ্মাসিক

বিদায় ক্ষণত মই মৌন আছিলো
বহু কথা ক'ব খুজিও
স্তব্ধ হৈ ৰ'ল দুটি ওঠ....।
মাথো দুগালেদি বৈ গৈছিল
বিষাদেৰে ভৰা অজস্ৰ চকুলো....।
তোমাৰ সজল চকুৰ চাৱনিত
মই শান্তি পাইছিলো,
বিচাৰি পাইছিলো জীয়াই থকাৰ প্ৰেৰণা।
কিন্তু তুমি মোৰ সকলো সুখ কাঢ়ি
এতিয়া আঁতৰি যাব খুজিছা,
তুমি পাহৰি থাকিব বিচাৰিছা
তোমাৰ মোৰ ভালপোৱাক।
কিন্তু পাহৰিব পাৰিম জানো মই
মোৰ জীৱনৰ প্ৰথম ভালপোৱাক ?
আমাৰ প্ৰেমৰ সাক্ষী কৃষ্ণচূড়াৰ ৰঙা পাহিবোৰ
এতিয়া আকৌ জিলিকি উঠিছে,
সোণাৰুৰ হালধীয়া পাহিবোৰেও সুঁৱৰাই দিব
আমাৰ ভালপোৱাৰ মধুৰ স্মৃতিবোৰ....
পাৰিবা জানো পাহৰিব শৰতত তলসৰা শেৱালী বুটলি
দুয়ো দুয়োৰে গাত ছটিয়াই দিয়া দিনবোৰ....
এইবোৰ আওকান কৰিলেও কেনেকৈ পাহৰিবা
দুয়ো একেলগে তিতা হেঁপাহৰ বৰষুণজাক...
প্ৰতিপলেই তোমাক মোৰ কথাই সুঁৱৰাব
পাৰিবাজানো আমাৰ ভালপোৱাক পাহৰিব ?
স্মৃতিৰ কাকলিয়ে সদায় মনত পেলাই দিব
তোমাৰ মোৰ মাজত বৈ যোৱা মৰমবোৰ।
চিনাকী সময়ৰ অচিনাকী ভালপোৱাবোৰ
হয়তো আৰু ঘূৰাই নাপাম
কিন্তু স্মৃতিৰ পাতত সেই ভালপোৱাবোৰ
ৰৈ গ'ল চিৰদিনৰ বাবে....।

❑❑❑

## নিষ্ঠুৰ মানৱ তুমি

মৌচুমী বৰুৱা
স্নাতক চতুৰ্থ ষাণ্মাসিক

হৃদয়বিহীন মানৱৰ বুকুত
পাৰ ভঙা সৃষ্টিৰ প্ৰয়াস
চিৎকাৰ কৰি উঠে...
আবেগত শিহঁৰিত হৈ উঠে..
প্ৰকৃতিৰ এই চিৰসেউজ গাঁথাবোৰ।

সঁচায়ে...
অতি নিষ্ঠুৰ মানৱ তুমি।
ধ্বংসৰ কাৰণ তুমি।
তোমাৰেই ৰক্ষিতা এই বিনন্দীয়া পৃথিৱী
অথচ তোমাৰ দুহাতেৰে গঢ়ি তোলা অহংকাৰক
তুমিয়ে ধ্বংসৰ অটল গহবৰত স্নান পৰিব দিয়া
হে মানৱ...
মাথো এবাৰ হৃদয়েৰে অনুভৱ কৰা
আহি থকা সোণোৱালী ভৱিষ্যতক
কেনেকৈ আলোকিত কৰিবা তুমি...!

□□□

## পানী

জোনালী বছা
দ্বিতীয় ষাণ্মাসিক

তুমি ধোঁৱা হৈ অভিমান কৰি গুচি যোৱা
বতাহৰ স'তে,
তুমি মেঘ হৈ ঘূৰি ফুৰা আকাশৰ বুকুত
নাজানো তোমাৰ মিতিৰালি জোনাকৰ সৈতে
নে আকাশ নীলা ৰঙৰ সৈতে!
তোমাৰ মধুময় ধেমালি
তুমি নামি আহা এজাক ৰূপালিম বৰষুণ হৈ
আৰু মোৰ বিষাদ যন্ত্ৰণাবোৰ
ধুৱাই নিয়া
নাজানো তুমি মোৰ প্ৰেমৰ বাবে নে
সেউজীয়া জীৱনৰ বাবে
আকাশৰ পৰা নামি আহা
লাহে লাহে এই পৃথিৱীলৈ।

□□□



## অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ সোণাৰি মহাবিদ্যালয়ৰ উদ্যোগত ২০১৫-১৬ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ










## অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়ৰ উদ্যোগত ২০১৫-১৬ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ














অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়ৰ উদ্যোগত ২০১৫-১৬ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ






## অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়ৰ উদ্যোগত ২০১৫-১৬ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ







অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়ৰ উদ্যোগত ২০১৫-১৬ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ












অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়ৰ উদ্যোগত ২০১৫-১৬ বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ












## অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়, ২০১৫-১৬ বৰ্ষৰ বিভিন্ন উপ-সমিতিসমূহঃ

**১) কেন্দ্ৰীয় সমিতি**

অধিনায়ক (৫ম ষাণ্মাসিক) ঃ ভবেন গগৈ

অধিনায়ক (৩য় ষাণ্মাসিক) ঃ দ্বীপজ্যোতি বৰুৱা

অধিনায়ক (১ম ষাণ্মাসিক) ঃ সুৰভি বৰুৱা

**২) সাহিত্যম্**

(সাময়িক সাহিত্য প্ৰাচীৰ পত্ৰিকা)

সম্পাদক ঃ লভিতা হাজৰিকা

সদস্য/সদস্যা (৫ম ষাণ্মাসিক) ঃ কাশ্মিৰী গগৈ

(৩য় ষাণ্মাসিক) ঃ জানমণি গগৈ

(১ম ষাণ্মাসিক) ঃ লক্ষ্যজিৎ ফুকন

**৩) আধাৰ**

(গৱেষণা-বিদ্যায়তনিক-সৃজিনীমূলক বাৰ্ষিক পত্ৰিকা)

সম্পাদক ঃ সমীৰণ বৰগোহাঁই

সদস্যযসদস্যা (৫ম ষাণ্মাসিক) ঃ গীতাশ্ৰী দৈমাৰী

(৩য় ষাণ্মাসিক) ঃ দীপল শইকীয়া

(১ম ষাণ্মাসিক) ঃ কিৰণময়ী গগৈ

**৪) দৈনিক লেখা**

(দৈনিক সাহিত্য প্ৰাচীৰ পত্ৰিকা)

সম্পাদক ঃ চুইটি বৰা

সদস্যযসদস্যা (৫ম ষাণ্মাসিক) ঃ মৌশিখা বৰুৱা

(৩য় ষাণ্মাসিক) ঃ চন্দ্ৰিকা কোঁৱৰ

(১ম ষাণ্মাসিক) ঃ পৰিস্মিতা বৰুৱা

**৫) বতৰা**

(মাহেকীয়া সংবাদ বেৰ পত্ৰিকা)

সম্পাদক মণ্ডলী ঃ অভিজিৎ শইকীয়া, হীৰেণ বৰগোহাঁই, আৰতী মাছাৰী, দিপজ্যোতি গগৈ, দিপজ্যোতি দত্ত, বন্দনা বৰুৱা, শিৱ গগৈ, লক্ষ্যদ্বীপ গগৈ, লিটুমণি বৰগোহাঁই, গায়ত্ৰী লাহন, সুৰজ গুচাই, ইৰাণী গগৈ, মধুস্মিতা বৰুৱা, ৰূপালী বড়া, ৰাজশ্ৰী ফুকন, লক্ষীপ্ৰিয়া, হীৰেণ বৰগোহাঁই, লক্ষ্যদ্বীপ গগৈ।